## Principles of Rural Development :-

## গ্ৰাম্য উন্নয়নৰ নীতি :

গ্ৰাম্য উন্নয়নৰ কৌশলসমূহ গ্ৰাম্য অঞ্চলসমূহত আঁচনি আৰু প্ৰকল্প হিচাপে ৰূপায়ণ কৰা হয়। এই আঁচনি আৰু প্ৰকল্পসমূহ চৰকাৰ আৰু বিভিন্ন বেচৰকাৰী সংস্থা বা অনুষ্ঠানৰ দ্বাৰা ৰূপায়ণ কৰা হয় আৰু এইবোৰৰ মূল উদ্দেশ্যই হ'ল গ্ৰাম্যাঞ্চলৰ লোকসকলৰ সামগ্ৰিক উন্নয়ন। এই আঁচনি বা প্ৰকল্পসমূহৰ কিছুমান কৃষিভিত্তিক আৰু কিছুমান অনা-কৃষিভিত্তিক। গ্ৰাম্য উন্নয়নৰ এই কাৰ্যপন্থা ৰূপায়ণ কৰোঁতে বিভিন্ন নীতি অনুসৰণ কৰাটো অতি প্ৰয়োজনীয়।

ৰাষ্ট্ৰসংঘৰ খাদ্য আৰু কৃষি সংস্থাই [Food and Agricultural Organisation (FAO) of the United Nations (1985)] এই ক্ষেত্ৰত তলত উল্লেখ কৰা নীতিসমূহ উত্থাপন কৰিছে। সেইকেইটা হ'ল ——

1) Access :- গ্ৰাম্য উন্নয়নৰ আঁচনি আৰু প্ৰকল্পসমূহে যাতে সকলো লোককে সামৰি লয় আৰু ইয়াৰ সুবিধা যাতে সকলো গ্ৰাম্য অঞ্চলৰ লোকে লাভ কৰে

সেইটো সুনিশ্চিত কৰা ~~আৰু~~ ।

২) **Independence** :- গ্ৰাম্য উন্নয়নৰ কাৰ্যপন্থা বা প্ৰকল্পসমূহ এনেদৰে গ্ৰহণ কৰিব লাগে যাতে ই গ্ৰাম্য লোকসকলৰ জীৱিকা অৰ্জনত সহায় কৰিব পাৰে আৰু এইটোৰ ওপৰত গুৰুত্ব দিব লাগে যাতে তেওঁলোক জীৱিকাৰ বাবে এই আঁচনি বা প্ৰকল্পৰ ওপৰত নিৰ্ভৰশীল নহয় ।

3) ~~Sustai~~ **Sustainability** :- গ্ৰাম্য উন্নয়ন যাতে বহনক্ষম হয় তাৰ কাৰণে গ্ৰাম্য উন্নয়নৰ প্ৰকল্প বা কাৰ্যপন্থাৰ পৰিকল্পনা আৰু সমস্যাসমূহৰ সমাধান সূত্ৰ স্থানীয় অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক আৰু প্ৰশাসনীয় অৱস্থাৰ ওপৰত ভিত্তি কৰি ইয়াৰ প্ৰাসংগিক হোৱাটো সুনিশ্চিত কৰা ।

4) **Going Forward** :- গ্ৰাম্য উন্নয়ন কাৰ্যপন্থাৰ প্ৰযুক্তিগত দিশটোৱে গ্ৰাম্য লোকসকলক উন্নয়নৰ ক্ষেত্ৰত আগবাঢ়ি যোৱাত সহায় কৰা উচিত ।

(3)

(5) Participation :- গ্ৰাম্য উন্নয়নৰ প্ৰকল্প আৰু কাৰ্যপন্থাই গ্ৰাম্য লোকসকলক গ্ৰাম্য উন্নয়নৰ ~~লেখত~~ লগত জড়িত কৰা উচিত আৰু তেওঁলোকৰ লগত আলোচনা কৰি তেওঁলোকৰ ধাৰণা, জ্ঞান, অভিজ্ঞতা আদি বিচাৰি উলিওৱাটো অত্যন্ত গুৰুত্বপূৰ্ণ।

6) Effectiveness :- গ্ৰাম্য উন্নয়ন কাৰ্যপন্থা বা প্ৰকল্পসমূহে স্থানীয় সম্পদসমূহৰ উপযুক্ত আৰু ফলপ্ৰসূ ব্যৱহাৰ কৰাৰ লগতে বাহিৰৰ সম্পদসমূহো ফলপ্ৰসূভাৱে ব্যৱহাৰ কৰা উচিত।